**১.অৰ্থনৈতিক ভূগোল কাক বোলে ? ইয়াৰ মূল বিষয় বস্তু কি ? অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাবোৰ উল্লেখ কৰা।**

উত্তৰ: ভূগোলৰ যি শাখা ত সম্পাদৰ উৎপাদন ,বিতৰণ, উপভোগ আৰু বিনিময়ৰ লগত জড়িত মানুহৰ কাৰ্য্যকলাপৰ স্থান-কাল সাপেক্ষে অধ্যয়ন কৰা হয়, তাকে অৰ্থনৈতিক ভূগোল বোলে ।

ভূ-পৃষ্ঠাত বিৰাজ কৰা প্ৰাকৃতিক আৰু মানৱসৃষ্ট পৰিৱেশৰ উপাদানবোৰ ,মানুহৰ কাৰ্য-প্ৰণালি ,বিভিন্ন ঠাইৰ পৰা অৰ্থনৈতিক কাৰ্যকলাপ,দেশত পোৱা বিভিন্ন সম্পদ আৰু ইয়াৰ ব্যৱহাৰ এইবোৰ আলোচনা কৰাই অৰ্থনৈতিক ভূগোলৰ মূল বিষয় বস্তু।তদুপৰি ,কৃষি খণ্ড,পৰিবহন ব্যৱস্থা, বজাৰ নীতি,পৰ্যটন বিভাগ আদিৰ বিষয়ে আলোচনা কৰাও অৰ্থনৈতিক ভূগোল ৰ মূল বিষয় বস্তু।

অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখা বোৰ হ'ল-কৃষি ভূগোল,ঔদ্যোগিক ভূগোল, সম্পদ ভূগোল, পৰিবহণ ভূগোল, বজাৰ ভূগোল, পৰিকল্পনা আৰু উন্নয়ন ভূগোল, পৰ্যটন ভূগোল আদি।

## ২.অৰ্থনৈতিক ভূগোলৰ পৰিসৰ সম্পৰ্কে চমুকৈ লিখা।

উত্তৰ: অৰ্থনৈতিক ভূগোলত প্ৰধান কৈ মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপৰ বিতৰণ আৰু ইয়াৰ লগত জড়িত কাৰক আৰু প্ৰক্ৰিয়া সমূহ অধ্যয়ন কৰা হয়। ইয়াৰ অধ্যয়নৰ পৰিসৰ মূলতঃ তলত উল্লেখ কৰা বিশেষ প্ৰশ্নকেইটাৰ ওপৰত প্ৰতিষ্ঠিত -

(ক) অৰ্থনৈতিক কাৰ্যটো ক'ত অৱস্থিত ?

(খ) অৰ্থনৈতিক কাৰ্যটোৰ বৈশিষ্ট বোৰ কি কি ?

(গ)অৰ্থনৈতিক কাৰ্যটো আন কি কি পৰিঘটনাৰ লগত জড়িত ?

(ঘ) অৰ্থনৈতিক কাৰ্যটো য'ত আছে তাতে কিয় হৈছে ?

(ঙ) অৰ্থনৈতিক কাৰ্যটো য'ত আছে তাৰ পৰিৱৰ্তে আন এঠাইত হ'লে বেছি ভাল হ'লহেতেন নেকি ?

উক্ত পাঁচটা প্ৰশ্নৰ প্ৰথম তিনিটাৰ লগত পৰম্পৰাগত অৰ্থনৈতিক ভূগোল জড়িত।কিন্তু পাছৰ দুটা প্ৰশ্নই বিশেষকৈ আধুনিক অৰ্থনৈতিক ভূগোলৰ ভেটি ৰচনা কৰিছে।আধুনিক ভূগোলৰ পিতৃ স্বৰূপ জৰ্জ ছিজহ'মৰ মতে এখন ঠাই অৰ্থনৈতিক উন্নয়নৰ গতি আৰু দিশ নিৰ্ণয় কৰাটোৱেই অৰ্থনৈতিক ভূগোলৰ মূল উদ্দেশ্য। আন দুজন অৰ্থনৈতিক ভূগোলবিদ জন্স আৰু ডোৰ্কেনৱাল্ডৰ মতে অৰ্থনৈতিক ভূগোল বিশেষকৈ উৎপাদনক্ষম বৃত্তি বা কাৰ্যকলাপৰ লগত জড়িত আৰু লগতে কিছুমান অঞ্চল কিয় উৎপাদনত আগবঢ়া আৰু আন কিছুমান অঞ্চল কিয় আমদানি আৰু ব্যৱসায়-বানিজ্যত আগবঢ়া এনে প্ৰশ্নবোৰৰ উত্তৰ উদ্ ঘাটনত সহায় কৰে। অৰ্থাৎ অৰ্থনৈতিক ভূগোলে মূলতঃ মানুহৰ উৎপাদনক্ষম কাৰ্যবোৰ আৰু পৰিৱেশিক অৱস্থাৰ লগত এইবোৰৰ সম্পৰ্ক অধ্যয়ন কৰে।

**৩. মানুহৰ  অৰ্থনৈতিক বৃত্তি বুলিলে কি বুজা ? এনে অৰ্থনৈতিক বৃত্তিবোৰ কি কি ?**

উত্তৰ: যি বৃত্তি বা কাৰ্যকলাপৰ দ্বাৰা মানুহে পৰিৱেশ ৰ লগত সমন্বয় ৰাখি উৎপাদন, আমদানি  আৰু ব্যৱসায়-বাণিজ্যত আগবাঢ়িব পাৰে তাকে মানুহৰ অৰ্থনৈতিক বৃত্তি বোলে । অৰ্থনৈতিক ভূগোলে মানুহৰ উৎপাদনক্ষম কাৰ্যবোৰ আৰু পৰিৱেশিক অৱস্থাৰ লগত এইবোৰৰ সম্পৰ্ক অধ্যয়ন কৰে।

মানুহৰ অৰ্থনৈতিক বৃত্তিবোৰ চাৰি প্ৰকাৰৰ -

(ক) প্ৰাথমিক বৃত্তি

(খ) দ্বিতীয়  বৃত্তি

(গ) তৃতীয়ক বৃত্তি

(ঘ) চতুৰ্থক বৃত্তি ।

## ৪. অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাসমূহৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখা ।

উত্তৰ: মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ ভিন ভিন হোৱাৰ লগতে অৰ্থনৈতিক ভূগোলত বহুতো শাখা দেখা যায় । অৰ্থনৈতিকভূগোলৰ এনেবোৰ বিশেষ শাখাই মানুহৰ বিভিন্ন অৰ্থনৈতিক কাৰ্য আৰু সেইবোৰৰ লগত জড়িত বিভিন্ন কথা-বতৰাবোৰ আলোচনা কৰে।অৰ্থনৈতিক ভূগোল আৰু ইয়াৰ শাখা-উপশাখাৰ অধ্যয়ন সম্পদ ভূগোলৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাসমূহৰ বিষয়বস্তুবোৰ তলত দিয়া হ'ল-

ক)কৃষি ভূগোল : অৰ্থনৈতিক ভূগোলৰ এটি অন্যতম প্ৰধান শাখা । ইয়াত কৃষি কাৰ্যৰ লগত জড়িত কাৰণ সমূহ, কৃষিৰ প্ৰকাৰ, কৃষি কাৰ্যৰ বিতৰণ আৰু পদ্ধতি, শস্যৰ উৎপাদন আৰু ইয়াৰ লগত জড়িত সূত্ৰ, কৃষি সামগ্ৰীৰ বজাৰ তথা আমদানি-ৰপ্তানি ইত্যাদি অধ্যয়ন কৰা হয়।

খ) ঔদ্যোগিক ভূগোল:- ইয়াৰ উদ্যোগ স্থাপনৰ লগত জড়িত অৰ্থনৈতিক তথা অন্যান্য কাৰকবোৰ, উদ্যোগৰ প্ৰকাৰ আৰু ভৌগোলিক বিতৰণ, ঔদ্যোগিক সামগ্ৰীৰ উৎপাদন, উদ্যোগ অৱস্থাৰ লগত জড়িত সূত্ৰ, ঔদ্যোগিক সামগ্ৰীৰ বজাৰ তথা আমদানি-ৰপ্তানি ইত্যাদি অধ্যয়ন কৰা হয়।

গ) সম্পদ ভূগোল:- ইয়াত সম্পদৰ প্ৰকাৰ, আঞ্চলিক বিতৰণ, সম্পদ উদঘাটন তথা উৎপাদনৰ লগত জড়িত কাৰকসমূহ, সম্পদ আৰু উন্নয়নৰ সম্পৰ্ক, সম্পদৰ সংৰক্ষণ আৰু ব্যৱস্থাপনা আদি অধ্যয়ন কৰা হয়।

ঘ) পৰিবহন ভূগোল:- ইয়াত পৰিবহণ ব্যৱস্থাৰ প্ৰকাৰ আৰু ইয়াৰ লগত জড়িত কাৰকসমূহ,সম্পদ বিতৰণত পৰিবহণৰ ভূমিকা, মানুহৰ যাতায়ত তথা অৰ্থনৈতিক উন্নয়ন যেনে- ঔদ্যোগিক উন্নয়ন, কৃষি ক্ষেত্ৰৰ উন্নয়নত পৰিবহন ব্যৱস্থাৰ উন্নয়নৰ ভূমিকা ইত্যাদি অধ্যয়ন কৰা হয়।

ঙ) বজাৰ ভূগোল:- ইয়াত বজাৰ স্থাপনৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ কাৰক সমূহ, বজাৰৰ প্ৰকাৰ আৰু বিতৰণ আৰু ইয়াৰ লগত জড়িত সূত্ৰ সমূহ অধ্যয়ন কৰা হয়।
চ) পৰিকল্পনা আৰু উন্নয়ন ভূগোল :- ইয়াত অৰ্থনৈতিক উন্নয়নৰ লগত জড়িত কাৰকবোৰ, পৰিকল্পনা ব্যৱস্থা, বহনক্ষম উন্নয়ন, অঞ্চল তথা উপাদান ভিত্তিক উন্নয়ন প্ৰক্ৰিয়া আদি অধ্যয়ন কৰা হয়।
ছ) পৰ্যটন ভূগোল:- ইয়াত পৰ্যটন আৰু ইয়াৰ বিকাশৰ লগত জড়িত কাৰকসমূহ, পৰ্যটনৰ প্ৰকাৰ, পৰ্যটন ব্যৱস্থাৰ উন্নয়ন প্ৰক্ৰিয়া আৰু পৰিকল্পনা আদি অধ্যয়ন কৰা হয়।

**৫. সম্পদ ভূগোলক কিয় অৰ্থনৈতিক ভূগোলৰ এটি গুৰুত্বপূৰ্ণ শাখা বোলা হয় ?**

উত্তৰ:- সম্পদ ভূগোলক অৰ্থনৈতিক ভূগোলৰ এটি গুৰুত্বপূৰ্ণ শাখা বোলা হয়। সম্পদৰ প্ৰকৃতি আৰু উৎকৃষ্ট ব্যৱহাৰৰ যোগেদি মানৱ-কল্যাণ আৰু আৰ্থ-সামাজিক উৎকৃষ্ট সাধন সম্ভৱ হৈছে। সম্পদবোৰৰ কাৰ্যকাৰিতা আৰু উপকাৰীতা গুণ থকা বাবে দেশ এখনৰ অৰ্থনৈতিক বিকাশ সম্ভৱ হয়। তদুপৰি মানৱ সমাজৰ উন্নয়নো সম্পদৰ ওপৰতেই নিৰ্ভৰ কৰে। সেয়েহে দেশ এখনৰ উন্নয়নৰ বাবে সম্পদে অতিগুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে এইটো দিশৰ
সম্পদ ভূগোলক অৰ্থনৈতিক ভূগোলৰ এটি গুৰুত্বপূৰ্ণ শাখা বুলি কোৱা হয়।

**৬. সম্পদ বুলিলে কি বুজা ?**

উত্তৰ:- মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তুকেই সম্পদ বোলা হয়। বায়ু, পানী, সূৰ্যৰ ৰশ্মি, মাটি, গছ-গছনি, ফল-মূল, খনিজ পদাৰ্থ আদি আটাইবোৰেই মানুহৰ বাবে লাগতিয়াল। সেয়েহে এইবোৰ সম্পদ। সম্পদৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল - কাৰ্যকাৰিতা, উপকাৰীতা আৰু পৰিৱৰ্তনশীলতা ।

**৭. সম্পদ পৰিৱৰ্তনশীল ব্যাখ্যা কৰা ।**

উত্তৰ:- সম্পদ পৰিৱৰ্তনশীল । কোনো এটা সামগ্ৰী মানুহৰ দ্বাৰা ব্যৱহাৰ নহলেও 'মানুহৰ বাবে অপকাৰী হলেও ভৱিষ্যতে সেই একেটা সামগ্ৰীয়েই মানৱ কল্যাণত ব্যৱহাৰ হ'ব পাৰে এনে সামগ্ৰী সমূহৰ যিবোৰে মানুহৰ কোনো ধৰণে উপকাৰ বা অপকাৰ সাধন নকৰে সেই বোৰক নিৰপেক্ষ বা নিষ্ক্ৰয় সামগ্ৰী বোলা হয়। আনহাতে, যিবোৰ সামগ্ৰী বা পৰিঘটনাই মানুহৰ অপকাৰ সাধন কৰে, সেইবোৰক প্ৰতিৰোধক বোলা হয়। মানুহৰ জ্ঞানৰ প্ৰসাৰ আৰু বিজ্ঞান প্ৰযুক্তিৰ উন্নয়নৰ ফলত পৃথিৱীত থকা এনে বহু নিৰপেক্ষ সামগ্ৰী আৰু প্ৰতিৰোধক মানুহৰ সু- প্ৰচেষ্টাত সম্পদ লৈ ৰূপান্তৰিত হৈছে।সামাজিক পৰিৱৰ্তন ঘটাৰ লগে লগে সম্পদৰ ধাৰণা আৰু ইয়াৰ আহৰণ আৰু ব্যৱহাৰৰো পৰিৱৰ্তন ঘটে। সেইকাৰণে সম্পদক পৰিৱৰ্তনশীল বুলি কোৱা হয়।

**৮. সম্পদৰ প্ৰয়োজনীয়তা সম্পৰ্কে উদাহৰণ সহ আলোচনা কৰা।**

উত্তৰ:- মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তুকেই সম্পদ বোলা হয়।যেনে- বায়ু, পানী, মাটি, গছ-গছনি আদি। সম্পদৰ বাবেহে মানৱ সমাজৰ বিভিন্ন দিশত উন্নয়ন সম্ভৱ হৈছে।সম্পদ অকল ব্যক্তিগত কল্যাণৰ বাবেই নহয়, জনসাধাৰণৰ কল্যাণৰ বাবেও লাগতিয়াল। এই সম্পদসমূহৰ প্ৰাচুৰ্যৰ বাবেই মানুহৰ মৌলিক প্ৰয়োজন- খাদ্য, বস্ত্ৰ, বাসস্থান আৰু অন্যান্য চাহিদা পূৰণৰ লগতে জীৱন ধাৰণৰ মানৰ উন্নয়ন সম্ভৱ হৈছে। মানুহৰ প্ৰয়োজনীয় বহুসম্পদ যদিও প্ৰকৃতিয়ে যোগান ধৰে, ইয়াৰ বেছিভাগৰে ব্যৱহাৰিক দিশটো মানুহে প্ৰয়োজন অনুসৰি দি লয় । তদুপৰি প্ৰকৃতিত থকা সামগ্ৰিবোৰৰ কাৰ্যকাৰীতা আৰু উপকাৰীতা সম্পৰ্কে গুণবোৰ মানুহৰ জ্ঞানৰ জৰিয়তেহে উদ্ঘাটন কৰা হয়।

**৯. সম্পদ আৰু মানুহৰ মাজত থকা সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।**

উত্তৰ:- মানুহ আৰু সম্পদৰ মাজত এটা গভীৰ সম্পৰ্ক আছে। সম্পদৰ লগত মানুহ ওতঃপ্ৰোতভাৱে জড়িত। সম্পদৰ অবিহনে মানুহৰ বিকাশ অসম্ভৱ। মানুহৰ সম্পদৰ লগত দুই ধৰনে জড়িত, সম্পদৰ উৎপাদক হিচাবে আৰু সম্পদৰ উপভোক্তা হিচাপে। প্ৰকৃতিৰ পৰা আহৰণ কৰা বহু সামগ্ৰীয়েই প্ৰয়োজন সাপেক্ষে বিভিন্ন প্ৰযুক্তিৰ জড়িয়তে ৰূপান্তৰ কৰি মানুহৰ ব্যৱহাৰৰ উপযোগী কৰি তুলে। যেনে
বাঁহৰ পৰা কাগজ , কঁপাহৰ পৰা কাপোৰ আদি প্ৰকৃতিক সমূহক ব্যৱহাৰৰ উপযোগী কৰিবলৈ মানুহক কাৰ্যদক্ষতা, শিক্ষা, প্ৰযুক্তি আৰু আগ্ৰহৰ প্ৰয়োজন হয়। এনেবোৰ গুণ থকা বাবে মানুহকো সম্পদৰ অন্তৰ্ভুক্ত কৰি মানৱ সম্পদ আখ্যা দিয়া হৈছে।

**১০. সম্পদ আৰু বিজ্ঞান প্ৰযুক্তিৰ মাজত থকা সম্পৰ্ক চমুকৈ আলোচনা কৰা।**

উত্তৰ:- সম্পদ আৰু বিজ্ঞানৰ মাজত এটা গভীৰ সম্পৰ্ক আছে। উল্লেখযোগ্য যে প্ৰকৃতি, মানুহ আৰু সমাজ-সংস্কৃতি তথা বিজ্ঞান প্ৰযুক্তিৰ আন্তঃক্ৰিয়াৰ ফলতেই একো একোটা সম্পদৰ সৃষ্টি হয়। এই বিজ্ঞান আৰু প্ৰযুক্তিৰ ফলতেই পৃথিৱীত পোৱা বহু সম্পদ মানুহে প্ৰয়োজন অনুসৰি নিজৰ ব্যৱহাৰৰ উপযোগী কৰি লয়। প্ৰাকৃতিকভাৱে পোৱা বহু সম্পদৰ উপৰিও আন বহুবোৰ সম্পদ যেনে- প্ৰযুক্তি, ঘৰ-দুৱাৰ, উদ্যোগ-কাৰখানা আদি বিজ্ঞান প্ৰযুক্তিৰ ফলতেই সম্ভৱ হৈছে। সম্পদৰ পৰিৱৰ্তনশীল বৈশিষ্ট্য আৰু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ফলত আজি উপকাৰী বুলি গণ্য হোৱা এটা সামগ্ৰী বা পৰিঘটনা সময়ৰ গতিত অপকাৰী বা নিষ্ক্ৰিয় সমগ্ৰীলৈ ৰূপান্তৰিত হ'ব পাৰে। মানুহৰ জ্ঞানৰ প্ৰসাৰ আৰু বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নৰ ফলতেই পৃথিৱীত পোৱা বহু নিৰপেক্ষ সামগ্ৰী আৰু
প্ৰতিৰোধৰ মানুহৰ সু- প্ৰচেষ্টাত সম্পদলৈ ৰূপান্তৰিত হৈছে। মানুহৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায় লৈ নতুন নতুন সম্পদৰ উদঘাটন কৰিব পাৰিছে । এই বিজ্ঞান আৰু প্ৰযুক্তিৰ ফলতেই মানুহে প্ৰয়োজন অনুসৰি সম্পদবোৰ পৃথিৱীৰ বুকুৰ পৰা আহৰণ কৰিব পাৰিছে ।

**১৩. নৱীকৰণ আৰু অনবিকৰণযোগ্য সম্পদৰ মাজত পাৰ্থক্য কি কি ? উদাহৰণসহ চমুকৈ লিখা।**

উত্তৰ:- নৱীকৰণযোগ্য সম্পদ :-পৃথিৱীৰ যিবোৰ সম্পদ এবাৰ ব্যৱহাৰ কৰাৰ পিছত নৱীকৰণ প্ৰক্ৰিয়াৰে পুনঃ ব্যৱহাৰৰ উপযোগী কৰি তুলিব পাৰি তেনেবোৰ সম্পদক নৱীকৰণযোগ্য সম্পদ বোলা হয়। উদাহৰণস্বৰূপে, পানী, গছ-গছনি, মাটি ইত্যাদি।

অনবিকৰণযোগ্য সম্পদ:- স্থায়ীত্অনুসৰি সম্পদবোৰক আমি দুটা ভাগত ভাগ কৰিব পাৰি। তাৰে এটা ভাগৰ নাম হ'ল অনবিকৰণযোগ্য সম্পদ। যিবোৰ সম্পদ এবাৰ ব্যৱহাৰ কৰাৰ পাছত আকৌ ব্যৱহাৰ কৰিব নোৱাৰে তেনে সম্পদক অনবিকৰণযোগ্য সম্পদ বোলে।উদাহৰণ স্বৰূপে:- কয়লা, খনিজ তেল আদি।

## ১৪. সম্পদ সংৰক্ষণ বুলিলে কি বুজা। ইয়াৰ প্ৰয়োজনীয়তা কি ?

উত্তৰ:-সাধাৰণতে কোনো ধৰণৰ বিনাশ আৰু অপব্যৱ্হাৰ নোহোৱাকৈ সম্পদৰ সম্ভাব্য পূৰ্ণ ব্যৱহাৰ কৰা কাৰ্য বা ধাৰণাকে সম্পদ সংৰক্ষণ বোলা হয়। অতীতত, এই পৃথিৱীত সম্পদৰ পৰিমাণ তেনেই সীমিত আছিল আৰু তাৰ বিপৰীত প্ৰতিৰোধক বা নিষ্ক্ৰিয় সামগ্ৰীৰ পৰিমাণ বেছি আছিল। সেই সময়ত পৃথিৱীত মানুহৰ সংখ্যা আছিল অতি সীমিত আৰু মানুহৰ প্ৰয়োজনীয় বস্তুৰ পৰিমাণও সীমিত আছিল।বৰ্তমান জনসংখ্যা বঢ়াৰ লগে লগে পৃথিৱীৰ সম্পদসমূহ লাহে লাহে শেষ হৈ আহিছে।যি হাৰত মূল্যবান সম্পদবোৰ নিঃশেষ হ'ব লাগিছে বা ব্যৱহাৰ হ'ব লাগিছে এইবোৰ দেখি অনুমান হয় যে অদূৰ ভৱিষ্যতে মানুহৰ বাবে কোনো ধৰণৰ সম্পদ নাথাকিব আৰু যিবিলাক থাকিব সেইবোৰ ব্যবহাৰৰ অনুপযোগী হ'বগৈ।সেয়ে মানৱ জাতি তথা অন্য জীৱ জন্তুৰ প্ৰতি লক্ষ্য ৰাখি, বৰ্তমান আমি পাই থকা বা দেখি থকা সম্পদবোৰ কোনো ধৰণৰ বিনাশ আৰু অপব্যৱ্হাৰ নোহোৱাকৈ ৰখাটো আমাৰ আটাইৰে কৰ্তব্য আৰু ই অতিকে প্ৰয়োজনীয় দিশ।

**১৫. সম্পদ সংৰক্ষণ পদ্ধতি সম্পৰ্কে চমুকৈ লিখা।**

উত্তৰ:- সম্পদ সংৰক্ষণ পদ্ধতি সম্পৰ্কে তলত চমুকৈ আলোচনা কৰা হ'ল

ক) বিকল্প সম্পদৰ সন্ধান:- আমি যিবোৰ সম্পদ ব্যৱহাৰ কৰি আহিছোঁ এইবোৰৰ উপৰিও অন্য বিকল্প সম্পদৰ সম্ভাৱনা চিন্তা চৰ্চা এই পদ্ধতিৰ অন্তৰ্ভূক্ত।

খ) পুনৰাৱৰ্তন :- ব্যৱহাৰৰ উপযোগী বৰ্জিত দ্ৰব্য পুনৰ ব্যৱহাৰ কৰা পদ্ধতিক পুনৰাৱৰ্তন পদ্ধতি বোলা হয়।

গ) অভিযোজনা বা নৱপ্ৰচলন :- গৱেষণাৰ জৰিয়তে নতুন সম্পদৰ আৱিষ্কাৰৰ লগতে নতুন কৌশল ব্যৱহাৰ কৰি উৎপাদন বৃদ্ধি।

ঘ) বৰ্জিত দ্ৰব্যৰ পৰিমাণ হ্ৰাস:- কেঁচা সামগ্ৰীৰ পৰা প্ৰয়োজনীয় সম্পদলৈ ৰূপান্তৰ কৰোঁতে আমি বৰ্জিত দ্ৰব্যৰ পৰিমাণ হ্ৰাস কৰি সম্পদৰ সংৰক্ষণ কৰিব পাৰোঁ।

ঙ) জ্ঞান আৰু শিক্ষাৰ সম্প্ৰসাৰণ:- সম্পদ সংৰক্ষণ ৰ জ্ঞান থকাটো আমাৰ অতি জৰুৰী বিষয়। সেয়ে শিক্ষা সংগ্ৰহ কৰিলেহে সংৰক্ষণৰ বিষয়ে আমি প্ৰয়োগ কৰিব লাগে।

## ১৬.চমূ টোকা লিখা।

ক)খ)গ)ঘ)ঙ)

চ)জাতীয় সম্পদ:- পৃথিৱীৰ উপৰিভাগত এনে

ছ) জৈৱিক সম্পদ :- যিবোৰ সম্পদ ত জীৱ থাকে তেনেবোৰ সম্পদক জৈৱিক সম্পদ বোলে।গছ গছনি, অৰণ্য ৰ প্ৰাণী, শস্য আদিকে আমি জৈৱিক সম্পদ বুলি কওঁ।

জ) সম্পদ সংৰক্ষণ:- সাধাৰণতে কোনো ধৰণৰ বিনাশ আৰু অপব্যৱ্হাৰ নোহোৱাকৈ সম্পদৰ সম্ভাব্য ব্যবহাৰ কৰা কাৰ্যকে সম্পদ সংৰক্ষণ বোলা হয়।বৰ্তমান সময়ত এই কাৰ্য মানৱ জাতিৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয়বস্তু হৈ পৰিছে।

ঝ) সম্পদৰ পুনৰাৱৰ্তন :- এই পৃথিৱীৰ সম্পদবোৰ আমি বিভিন্ন উপায়েৰে সংৰক্ষণ কৰি ৰাখিব পাৰোঁ।সংৰক্ষণৰ বিভিন্ন উপায় বা আঁচনিৰ এটা আঁচনিৰ নাম পুনৰাবৰ্তন প্ৰক্ৰিয়া । এই আঁচনিৰ জৰিয়তে বহু পেলনীয়া বস্তু পুনৰ ব্যৱহাৰ বাবে উপযোগী কৰি তুলিব পৰা যায়।যাৰ ফলত বহু নতুন বস্তুৰ সৃষ্টি হোৱাৰ লগতে আমাৰ পৰিবেশো সুন্দৰ কৰিব পৰা গৈছে।

ঞ) IUCN:- সমগ্ৰ বিশ্বজুৰি দেখা দিয়া দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু প্ৰাকৃতিক পৰিৱেশৰ সমস্যা তথা বহু প্ৰাকৃতিক সম্পদ নিঃশেষ হ'বলৈ ধৰা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ বিশ্বতে বিভিন্ন পৰ্যায়ত পৰিৱেশ সুৰক্ষা আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। এনে কাৰ্য সম্পাদন কৰা বাবে আন্তঃৰাষ্ট্ৰীয় , আঞ্চলিক তথা স্থানীয় পৰ্যায়ত বহু চৰকাৰী-বেচৰকাৰী সংস্থা আৰু সংগঠনৰ জন্ম হৈছে এই ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ অন্তৰ্গত আন্তৰাষ্ট্ৰীয় পৰিৱেশ সংৰক্ষণ সংস্থা IUCN বিশেষভাৱে উল্লেখযোগ্য।